**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 20-09-2024
**Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি মহাৰাষ্ট্ৰৰ ৱৰ্ধাত পি এম বিশ্বকৰ্মা আঁচনিৰ এবছৰ সম্পূৰ্ণ হোৱা উপলক্ষে পি এম বিশ্বকৰ্মা কাৰ্যসূচী মুকলি কৰে।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী কাইলৈৰ পৰা তিনি দিনীয়া ভ্ৰণসূচীৰে আমেৰিকা যুক্তৰাষ্ট্ৰলৈ যাব।

৩। কেন্দ্ৰীয় মন্ত্ৰী পীয়ুষ গোৱেলে **২১ সংখ্যক আছিয়ান-ভাৰত অৰ্থনীতি মন্ত্ৰীসকলৰ বৈঠক** আৰু **দ্বাদশ পূব এছিয়া সন্মিলনত** অংশগ্ৰহণৰ উদ্দেশ্যে আজি লাউচত উপস্থিত হ'ব।

***আৰু***

৪। ভাৰতে বাংলাদেশৰ বিৰুদ্ধে অনুষ্ঠিত দুখনীয়া টেষ্ট ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেলৰ প্ৰথম ইনিংছৰ দ্বিতীয় দিনা আটাইকেইটা উইকেট হেৰুৱাই ৩৭৬ ৰান সংগ্ৰহ কৰে।

০০০০০০০

PM MAHARASTRA (20-09-2024,)

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি মহাৰাষ্ট্ৰৰ ৱৰ্ধাত পি এম বিশ্বকৰ্মা আঁচনিৰ এবছৰ সম্পূৰ্ণ হোৱা উপলক্ষে ৰাষ্ট্ৰীয় 'পি এম বিশ্বকৰ্মা' কাৰ্যসূচী মুকলি কৰে। প্ৰধানমন্ত্ৰীয়ে লগতে 'পি এম বিশ্বকৰ্মা' আঁচনিৰ হিতাধিকাৰীসকলক প্ৰমাণ পত্ৰ আৰু ঋণ মোকলাই দিয়ে। এই আঁচনিৰ অধীনত শিল্পীসকলক দিয়া প্ৰতিশ্ৰুতিৰ প্ৰতীক হিচাপে তেওঁ ১৮টা খণ্ডৰ ১৮জন হিতাধিকাৰীক ঋণ প্ৰদান কৰে। শ্ৰী মোদীয়ে লগতে এই আঁচনিৰ সৈতে সংগতি ৰাখি এটা স্মাৰক ডাকটিকটো মুকলি কৰে।

প্ৰধানমন্ত্ৰী মোদীয়ে ইয়াৰ পাছত মহাৰাষ্ট্ৰৰ অমৰাৱতীত পি এম মেগা ইন্টিগ্ৰেটেড টেক্সটাইল ৰিজিঅ'নছ এণ্ড এপাৰেল পি এম মিত্ৰ পাৰ্কৰ আধাৰশিলা স্থাপন কৰিব। ১০০০ একৰ ভূমিত মহাৰাষ্ট্ৰ ঔদ্যোগিক উন্নয়ন নিগমে এই উদ্যানখন গঢ়ি তুলিছে । ভাৰতক বস্ত্ৰ উৎপাদন আৰু ৰপ্তানিৰ ক্ষেত্ৰত বিশ্বব্যাপী কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ দৃষ্টিভংগীক বাস্তৱায়িত কৰাৰ ক্ষেত্ৰত পি এম মিত্ৰ উদ্যান উল্লেখনীয় পদক্ষেপ হিচাপে পৰিলক্ষিত হৈছে। ই বিশ্বমানৰ ঔদ্যোগিক আন্তঃগাঁথনি সৃষ্টি কৰাত সহায় কৰিব যিয়ে প্ৰত্যক্ষ বিদেশী

বিনিয়োগকে ধৰি বৃহৎ পৰিসৰত বিনিয়োগকাৰীক আকৰ্ষণ কৰিব আৰু খণ্ডটোৰ ভিতৰত উদ্ভাৱন আৰু নিয়োগ সৃষ্টিত সহায় কৰিব। প্ৰধানমন্ত্ৰী মোডীয়ে মহাৰাষ্ট্ৰ চৰকাৰৰ "আচাৰ্য চাণক্য দক্ষতা বিকাশ কেন্দ্ৰ" আঁচনিও মুকলি কৰিব। এই আঁচনিৰ অধীনত ১৫ৰ পৰা ৪৫ বছৰ বয়সৰ যুৱক-যুৱতীসকলক প্ৰশিক্ষণ প্ৰদানৰ বাবে ৰাজ্যখনৰ উল্লেখযোগ মহাবিদ্যালয়সমূহত দক্ষতা বিকাশ প্ৰশিক্ষণ কেন্দ্ৰ স্থাপন কৰা হ'ব, যাৰ ফলত তেওঁলোকে স্বাৱলম্বী হ'ব পাৰিব। শ্ৰী মোদীয়ে "পুন্যাশ্বলক অহিল্যদেৱী হোলকাৰ মহিলা ষ্টাৰ্টআপ আঁচনি"ও মুকলি কৰিব। এই আঁচনিৰ অধীনত মহাৰাষ্ট্ৰৰ মহিলা নেতৃত্বাধীন ষ্টাৰ্টআপক প্ৰাৰম্ভিক পৰ্যায়ত ২৫ লাখ টকা পৰ্যন্ত আৰ্থিক সাহায্য প্ৰদান কৰা হ'ব। এই আঁচনিৰ অধীনত ২৫ শতাংশ হিতাধিকাৰী পিছপৰা শ্ৰেণী আৰু অৰ্থনৈতিকভাৱে দুৰ্বল শ্ৰেণীৰ মহিলাৰ বাবে সংৰক্ষিত হ'ব। এই পদক্ষেপে মহিলা নেতৃত্বাধীন ষ্টাৰ্টআপসমূহক স্বাৱলম্বী হোৱাত সহায় কৰিব বুলি আশা কৰা হৈছে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী কাইলৈৰ পৰা তিনি দিনীয়া ভ্ৰণসূচীৰে আমেৰিকা যুক্তৰাষ্ট্ৰলৈ যাব। এই ভ্ৰমণকালত প্ৰধানমন্ত্ৰীয়ে ৱাশ্বিংটনৰ ডেলাৱেৰত কোৱাড ৰাষ্ট্ৰগোষ্ঠীৰ নেতাসকলৰ চতুৰ্থ শীৰ্ষ সন্মিলনত ভাগ ল'ব। আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি জ' বায়ডেনে এই সন্মিলনৰ আয়োজন কৰিছে। পৰৱৰ্তী কোৱাড সন্মিলন ভাৰতে আয়োজন কৰিব।

প্ৰধানমন্ত্ৰী মোদীয়ে ২২ ছেপ্তেম্বৰত নিউয়ৰ্কত ভাৰতীয় সম্প্ৰদায়ৰ লোকসকলক সম্বোধন কৰিব। শ্ৰী মোদীয়ে ২৩ ছেপ্তেম্বৰত নিউয়ৰ্কত থকা ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাত **ছামিট অব দ্য ফিউচাৰ** শীৰ্ষক সন্মিলনক সম্বোধন কৰিব। এই সন্মিলনৰ মূল বিষয়বস্তু হৈছে **উন্নত ভৱিষ্যতৰ বাবে বহুপাক্ষিক সমাধান**। বিশ্বৰ বিভিন্ন প্ৰান্তৰ ভালেসংখ্যক নেতাই এই সন্মিলনত অংশগ্ৰহণ কৰিব। সন্মিলনত ভাগ লোৱাৰ সুযোগতে প্ৰধানমন্ত্ৰী মোদীয়ে বিভিন্ন দেশৰ নেতৃবৰ্গৰ সৈতে দ্বিপাক্ষিক বৈঠকত মিলিত হ'ব আৰু পাৰস্পৰিক স্বাৰ্থজড়িত ভিন ভিন বিষয় লৈ আলোচনা কৰিব।

এই ভ্ৰমণকালত প্ৰধানমন্ত্ৰী মোদীয়ে লগতে কৃত্ৰিম বুদ্ধিমত্তা, কোৱাণ্টাম কম্পিউটিং, অৰ্দ্ধপৰিবাহী আৰু জৈৱ প্ৰযুক্তি আদি ক্ষেত্ৰত উভয় দেশৰ মাজত সহযোগিতা অধিক সুদৃঢ় কৰাৰ উদ্দেশ্যে আমেৰিকা যুক্তৰাষ্ট্ৰৰ আগশাৰীৰ কোম্পানীসমূহৰ মুখ্য কাৰ্যবাহী বিষয়াসকলৰ সৈতেও মত বিনিময় কৰিব।

০০০০০০০

কেন্দ্ৰীয় বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীয়ুষ গোৱেলে আজি দুদিনীয়া ভ্ৰমণসূচীৰে লাউচলৈ যাব। তাত তেওঁ **২১ সংখ্যক আছিয়ান-ভাৰত অৰ্থনীতি মন্ত্ৰীসকলৰ বৈঠক** আৰু **দ্বাদশ পূব এছিয়া সন্মিলন অৰ্থনীতি মন্ত্ৰীসকলৰ বৈঠকত** অংশগ্ৰহণ কৰিব। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে দুয়োখন বৈঠকত অংশ লোৱাৰ আপাহতে অংশগ্ৰহণকাৰী ৰাষ্ট্ৰসমূহৰ বাণিজ্য মন্ত্ৰীসকলৰ সৈতে দ্বিপীক্ষিক বৈঠকত মিলিত হ'ব। শ্ৰী গোৱেলে লাউচৰ বাণিজ্য মন্ত্ৰীগৰাকীক

সাক্ষাৎ কৰাৰ লগতে কোৰিয়া, মালয়েছিয়া, ছুইজাৰলেণ্ড আৰু ম্যানমাৰৰ মন্ত্ৰীকেইগৰাকীক সাক্ষাৎ কৰিব। তেওঁ লগতে আছিয়ান সাধাৰণ সচিব তথা **আছিয়ান আৰু পূব এছিয়াৰ অৰ্থনৈতিক গৱেষণা প্ৰতিষ্ঠান, এৰিয়াৰ** সভাপতিৰ সৈতে আলোচনাত মিলিত হ'ব। শ্ৰী গোৱেলে লাউচত থকা ভাৰতীয় সম্প্ৰদায়ৰ লোকসকলৰ সৈতে মত বিনিময় কৰাৰ লগতে ভাৰত তথা আছিয়ান ৰাষ্ট্ৰৰ উদ্যোগীক প্ৰতিনিধিসকলকো সাক্ষ্যৎ কৰিব।

0000000

কেন্দ্ৰত নৰেন্দ্ৰ মোদী চৰকাৰৰ তৃতীয়টো কাৰ্যকালৰ ১০০ দিন পূৰ হোৱাৰ সৈতে সংগতি ৰাখি বিকশিত ভাৰতৰ পথত অগ্ৰসৰ হোৱাৰ ১০০ দিন উপলক্ষে চৰকাৰে মহিলা নেতৃত্বাধীন বিকাশৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰিছে। সেই অনুসৰি মহিলাৰ দ্বাৰা ক্ৰয় কৰা সম্পত্তিৰ বাবে ষ্টাম্প শুল্ক কম কৰিবলৈ ৰাজ্যসমূহক উৎসাহ যোগোৱাৰ লগতে হোষ্টেল আৰু মহিলা নিৰ্ধাৰিত দক্ষতাৰ কাৰ্যসূচীৰ জৰিয়তে তেওঁলোকৰ কৰ্মশক্তিৰ অংশগ্ৰহণত উদগনি যোগোৱা হৈছে। তদুপৰি পৰ্যটন খণ্ডত মহিলাসকলৰ বাবে কৰ্মসংস্থাপনৰ সুযোগ সৃষ্টি কৰিবলৈ পৰ্যটন দি দি আৰু পৰ্যটন মিত্ৰ আদিৰ দৰে আঁচনি যুগুত কৰা হৈছে। মহিলা নেতৃত্বাধীন বিকাশ সন্দৰ্ভত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয় যে, শিক্ষা, উদ্যমিতা, কৃষি, প্ৰযুক্তি আৰু অন্যান্য ক্ষেত্ৰৰ পদক্ষেপৰ জৰিয়তে মহিলাসকলক সৱলীকৰণ কৰিবলৈ চৰকাৰ বদ্ধপৰিকৰ। তেওঁ লগতে নাৰী শক্তিৰ সামৰ্থ, সাহস আৰু প্ৰতিৰোধ ক্ষমতাক প্ৰণিপাত জনাই বিভিন্ন ক্ষেত্ৰৰ তেওঁলোকৰ সাফল্যক প্ৰশংসা কৰে। উল্লেখযোগ্য যে, নৰেন্দ্ৰ মোদী চৰকাৰৰ অধীনত দুই লাখ ৩৫ হাজাৰ আত্মসহায়ক গোটৰ ২৬ লাখ সদস্যক সহায় কৰিবলৈ পাঁচ হাজাৰ কোটি টকাৰ বেংক ঋণ মুকলি কৰা হৈছে। তদুপৰি নাৰী শক্তিক উপলকৃত কৰা আঁচনিৰ ক্ষেত্ৰত এই বছৰৰ বাজেটত তিনি লাখ কোটি টকা আৱণ্টন দিয়া হৈছে।

0000000

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কয় যে, চৰকাৰে ২০২৬ চনৰ মাৰ্চ মাহৰ পূৰ্বে দেশৰ পৰা নক্সালবাদ আৰু নক্সালবাদৰ ধাৰণা নিশেষ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। নতুন দিল্লীত থকা নিজা বাসভৱনত আজি ছত্তিশগড়ৰ নক্সালবাদী হিংসাৰ বলি হোৱা প্ৰায় ৫৫ জন লোকৰ সৈতে মত বিনিময় কৰি কেন্দ্ৰীয়মন্ত্ৰীগৰাকীয়ে এই কথা উল্লেখ কৰে। তেওঁ কয় যে, বাস্তাৰৰ চাৰিখন জিলাৰ বাহিৰে সমগ্ৰ দেশতে নক্সালবাদৰ অন্ত পেলোৱাৰ প্ৰক্ৰিয়াত কেন্দ্ৰীয় চৰকাৰ সফল হৈছে। তেওঁ লগতে নক্সালসকলক হিংসা ত্যাগ কৰি আত্মসমৰ্পণ কৰিবলৈও আহ্বান জনায়। উল্লেখযোগ্য যে চৰকাৰৰ এই আহ্বানক যিসকলে অৱজ্ঞা কৰে তেওঁলোকৰ বিৰুদ্ধে অভিযান আৰম্ভ কৰিব বুলিও শ্ৰী শ্বাহে উল্লেখ কৰে।

0000000

মহাৰাষ্ট্ৰৰ জালনা জিলাত আজি সংঘটিত এটি পথ দুৰ্ঘটনাত ৬ জন লোকৰ মৃত্যু হোৱাৰ লগতে ১০ লোক গুৰুতৰভাৱে আহত হয়। আহত লোক কেইজনৰ ভিতৰত তিনিজনৰ অৱস্থা অতি সংকটজনক বুলি জানিব পৰা গৈছে। ৰাজ্যখনৰ চাহাপুৰ অঞ্চলৰ সমীপৰ জালনা-ৱাডিগোদ্ৰি পথত আজি পুৱা এখন ট্ৰাকে গেৱৰাই অঞ্চলৰ পৰা জালনা অভিমুখে গৈ থকা এখন বাছত খুন্দা মৰাৰ ফলত এই দুৰ্ঘটনা সংঘটিত হয়। আহতসকলক নিকটৱৰ্তী চিকিৎসালয়ত ভৰ্তি কৰোৱা হয়।

০০০০০০০

ভাৰতে বাংগালুৰুৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত বাংলাদেশৰ বিৰুদ্ধে অনুষ্ঠিত দুখনীয়া টেষ্ট ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেলৰ  প্ৰথম ইনিংছৰ দ্বিতীয় দিনা আজি আটাইকেইটা উইকেট হেৰুৱাই ৩৭৬ ৰান সংগ্ৰহ কৰে। ভাৰতৰ হৈ ৰবিচন্দ্ৰন অশ্বিনে ১১৩ আৰু ৰবীন্দ্ৰ জাদেজাই ৮৬ ৰাণ কৰে। ইয়াৰ পূৰ্বে কালি প্ৰথম দিনাৰ অন্তত ভাৰতে ৬টা উইকেট হেৰুৱাই ৩৩৯ ৰান কৰিছিল।

উল্লেখযোগ্য যে, টেষ্ট ক্ৰিক্ৰেটৰ ইতিহাসত ৰবিচন্দ্ৰন অশ্বিনৰ এয়া ষষ্ঠটো শতক। আনহাতে বাংলাদেশৰ হাচান মেহমুদ হৈছে ভাৰতৰ বিৰুদ্ধে ৫টা উইকেট লাভ প্ৰথমগৰাকী বাংলাদেশী বলাৰ। আমালৈ বাতৰি অহা পৰলৈকে বাংলাদেশে ৬টা উইকেট হেৰুৱাই ৯১ ৰান কৰি খেলি আছে।

০০০০০০০

চাংজৌত অনুষ্ঠিত চাইনা অ'পেন বেডমিণ্টন প্ৰতিযোগিতাত ভাৰতৰ মালৱিকা বানচ'ড়ৰ সুন্দৰ প্ৰদৰ্শনৰ আজি সমাপ্তি ঘটে। প্ৰতিযোগিতাৰ মহিলাৰ একক শাখাৰ কোৱাৰ্টাৰ ফাইনেলত মালৱিকা দুবাৰৰ বিশ্ব চেম্পিয়ন জাপানৰ আকানি য়ামাগুচিৰ হাতত ১০-২১, ১৬-২১ ছেটত পৰাজিত হয়। এইবাৰৰ প্ৰতিযোগিতাত এই পৰ্যায়লৈকে খেলা বানচ'ড়ে হৈছে একমাত্ৰ ভাৰতীয়। নাগপুৰৰ খেলুৱৈগৰাকীয়ে কালি ৰাউণ্ড অব 16ত আকৰ্ষণীয় প্ৰদৰ্শনেৰে স্কটলেণ্ডৰ কৃষ্টি গিলমোৰক পৰাস্ত কৰে। ইয়াৰ পূৰ্বে প্ৰথম ৰাউণ্ডত মালৱিকাই বিশ্বৰ সাত নম্বৰ স্থানৰ খেলুৱৈ তথা পেৰিছ অলিম্পিকত ব্ৰঞ্জৰ পদক বিজেতা ইণ্ডোনেছিয়াৰ গ্ৰেগ'ৰিয়া টুনজোঙক পৰাস্ত কৰিছিল। উল্লেখযোগ্য যে, পি ভি সিন্ধু আৰু চাইনা নেহৱালৰ পাছতেই বিশ্বৰ ৪৩ সংখ্যক স্থানত থকা মালৱিকা বানচ'ড় হৈছে ছুপাৰ ৱান থাউজেন টুৰ্ণামেণ্টৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰা তৃতীয়গৰাকী ভাৰতীয়।

০০০০০০০

**সমাপ্ত**